# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 20-12-2024
**Time :** 1800 Hrs

***Assamese Evening Bulletin***

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি নগাওঁত অনুষ্ঠিত বিকাশৰ বাবে ১২ দিন কাৰ্যসূচীত অংশগ্ৰহণ কৰি মেধাৱী শিক্ষাৰ্থীসকলক স্কুটি, চাইকেল আৰু নগদ ধন বিতৰণ কৰে। মুখ্যমন্ত্ৰী ডঃ শৰ্মাই প্ৰজ্ঞান ভাৰতীৰ ডঃ বাণীকান্ত কাকতি মেধা বঁটাৰ অধীনত ৩ হাজাৰ ৪৫০ গৰাকী মেধাৱী শিক্ষাৰ্থীক স্কুটি আৰু আনন্দৰাম বৰুৱা বঁটাৰ অধীনত এহেজাৰ ৮৫৬ গৰাকী শিক্ষাৰ্থীক নগদ ধন বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে বিশেষ আঁচনিৰ অধীনত নৱম শ্ৰেণীত অধ্যয়নৰত ১৬ হাজাৰ ৫৬০ গৰাকী শিক্ষাৰ্থীৰ মাজত চাইকেল বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। এই  বঁটা প্ৰদান অনুষ্ঠানত ৰাজহ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, সাংস্কৃতিক মন্ত্ৰী বিমল বৰাৰ লগতে বিধায়ক ৰূপক শৰ্মা, জিতু গোস্বামী, দীপুৰঞ্জন শৰ্মা আৰু শশীকান্ত দাস উপস্থিত থাকে। আনহাতে মুখ্যমন্ত্ৰীগৰাকীয়ে নগাওঁৰ আমবাগানত অনুষ্ঠিত এখন জনসভাতো অংশগ্ৰহণ কৰে।

ইপিনে, শোণিতপুৰ জিলাত অনুষ্ঠিত বিকাশৰ বাবে ১২ দিন কাৰ্যসূচীত জলসম্পদ মন্ত্ৰী পিযুষ হাজৰিকাই অংশগ্ৰহণ কৰে। শোণিতপুৰ জিলাৰ অভিভাৱক মন্ত্ৰী হিচাপে শ্ৰীহাজৰিকাই জিলাখনৰ ৭৩৭ গৰাকী মেধাৱী শিক্ষাৰ্থীক নগদ ধন আৰু এহেজাৰ ৬৪১  গৰাকী শিক্ষাৰ্থীক স্কুটি বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। মন্ত্ৰীগৰাকীয়ে শিক্ষাৰ্থীসকলক চাইকেল বিতৰণ কাৰ্যসূচীৰো শুভাৰম্ভ কৰে। বিশ্বনাথ চাৰিআলিত অনুষ্ঠিত বিকাশৰ বাবে ১২ দিন কাৰ্যসূচীত মন্ত্ৰী অশোক সিংহালে অংশগ্ৰহণ কৰে।

০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে অহা ২৯ ডিচেম্বৰত স্নাতক আৰু স্নাতকোত্তৰ পৰ্যায়ৰ শিক্ষক নিযুক্তিৰ বাবে অনুষ্ঠিত হ'বলগা টেট তথা নিযুক্তি পৰীক্ষা পিছুৱাবলৈ শিক্ষা বিভাগক নিৰ্দেশ দিছে। একাংশ প্ৰাৰ্থীয়ে দাখিল কৰা এখন লেখ আবেদনৰ শুনানি লৈ আজি উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ মনীষ চৌধুৰীৰ এজনীয়া বিচাৰপীঠে এই নিৰ্দেশ প্ৰদান কৰে। শিক্ষা বিভাগে অহা ২৯ ডিচেম্বৰত টেট তথা নিযুক্তি পৰীক্ষা অনুষ্ঠিত কৰাৰ ঘোষণা কৰিছিল যদিও ৫ ডিচেম্বৰতহে গণিত বিষয়টো নতুনকৈ অন্তৰ্ভুক্ত কৰে। ইয়াকে লৈ একাংশ প্ৰাৰ্থী উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হয়। প্ৰাৰ্থীসকলৰ এই আবেদনৰ ভিত্তিত ন্যায়ালয়ে পৰীক্ষাৰ দিন কমেও ১৫ দিন পিছুৱাই নিবলৈ শিক্ষা বিভাগক নিৰ্দেশ দিয়ে।

০০০০০

গুৱাহাটীত কৰ্তব্যৰত সাংবাদিকৰ ওপৰত যোৱা বুধবাৰে আৰক্ষীয়ে চলোৱা নিৰ্যাতনৰ বিৰুদ্ধে শিৱসাগৰ জিলাখনৰ ই-মিডিয়া সংস্থাৰ সদস্যসকলে আজি প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। ঐতিহাসিক শিৱদৌলৰ

সন্মুখত সংস্থাটোৰ সদস্যসকলে ক'লা বেজ পৰিধান কৰি সাংবাদিকৰ নিৰাপত্তা সুনিশ্চত কৰাৰ দাবী জানায়। অসমীয়া যুৱ মঞ্চ, আটাছু, ছাত্ৰ মুক্তিকে ধৰি কেইবাটাও দল-সংগঠনৰ নেতা-কৰ্মীয়ে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

লখিমপুৰ প্ৰেছ্ ক্লাবৰ সদস্যসকলেও আজি সাংবাদিকৰ ওপৰত আৰক্ষীৰ বৰ্বৰতাৰ বিৰোধিতাৰে ক'লা বেজ পৰিধান কৰি প্ৰতিবাদ কাৰ্যসূচী ৰূপায়ণ কৰে।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছ দলে যোৱা দুদিনত গুৱাহাটীকে ধৰি ৰাজ্যখনৰ বিভিন্ন ঠাইত আইন-শৃংখলাজনিত পৰিস্থিতি সৃষ্টি কৰাৰ প্ৰয়াস কৰিছে বুলি অভিযোগ কৰিছে। আজি নগাঁৱত বিকাশৰ ১২ দিন কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ পাছত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীয়ে কয়, যে প্ৰদেশ কংগ্ৰেছৰ কেইজনমান নেতাৰ মাজত বৰ্তমান শ্ৰেষ্ঠত্বৰ প্ৰতিদ্বন্দিতা চলিছে আৰু ইয়াৰ মাজত গুৱাহাটীৰ জনসাধাৰণক পণবন্দী কৰা হৈছে। পথত আন্দোলন কৰাটো ৰাজনৈতিক দলৰ কাম নহয় বুলি ড০ শৰ্মাই মন্তব্য কৰে। কংগ্ৰেছৰ নেতা ৰাহুল গান্ধীয়ে কালি লোকসভাত কৰা আচৰণ কোনো পধ্যেই গ্ৰহণযোগ্য নহয় বুলিও তেওঁ মন্তব্য কৰে।

০০০০০

বিশ্ব ঐতিহ্যক্ষেত্ৰ চৰাইদেউ মৈদামত অহা ৯ জানুৱাৰীৰ পৰা হবলগীয়া চৰাইদেউ মহোৎসৱৰ লাইখুটা আজি স্থাপন কৰা হয়।  টাই আহোম ৰীতি নীতিৰে সম্পন্ন  হোৱা লাইখুটা স্থাপন অনুষ্ঠানত সোণাৰী সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোৰৰৰ লগতে বহুকেইজন  বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখযোগ্য যে ৩ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে চৰাইদেউ মহোৎসৱ অনুষ্ঠিত হ'ব।

০০০০০

গোলাঘাট জিলাৰ স্বেচ্ছাসেৱী সংগঠন অৰণ্যমৰ উদ্যোগত আজিৰে পৰা চিনাতলীৰ শংকৰ মাধৱ ক্ষেত্ৰত চতুৰ্থ বাৰ্ষিক সদৌ অসম ভাওনা প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। প্ৰতিযোগিতাখনৰ লগত সংগতি ৰাখি আজি পুৱা পতাকা উত্তোলন, শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, তোৰণ উন্মোচন আৰু গছপুলি ৰোপণ কাৰ্যসূচী অনুষ্ঠিত হয়। ইয়াৰ লগতে প্ৰতিযোগিতামূলকভাৱে সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। প্ৰতিযোগিতাত মুঠ ৩৪ খন ভাওনা প্ৰদৰ্শন কৰা হব।

০০০০০

নগাঁও জিলাৰ বঢ়মপুৰত বিধানসভা সমষ্টি ভিত্তিত ছহীদ থগী সুত ক্ৰীড়া প্ৰকল্পত আজি ৰাজ্যৰ সৰ্ববৃহৎ ক্ৰীড়া উৎসৱ খেল মহাৰণৰ শুভাৰম্ভ হয়। এই খেল মহাৰণৰ বিভিন্ন প্ৰতিযোগিতাত বঢ়মপুৰ সমষ্টিৰ ২৯টা গাঁও পঞ্চায়তত প্ৰায় চাৰে ৩ হাজাৰ খেলুৱৈ অংশগ্ৰহণ কৰে। স্থানীয় বিধায়ক জিতু গোস্বামীয়ে উদ্বোধন কৰা এই অনুষ্ঠানত সমষ্টিটোৰ কেইবাগৰাকীও ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক খেলুৱৈ উপস্থিত থাকে।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটত ইয়াৰ দৃষ্টিপাতত **বিদেশ ভ্ৰমণৰ খুঁটি-নাটি** শীৰ্ষক এটা অনুষ্ঠান প্ৰচাৰ কৰিব। ফোন-ইন এই অনুষ্ঠানত ভ্ৰমণ পৰিচালনাৰ সৈতে জড়িত

দুগৰাকী উদ্যমী প্ৰজ্ঞাস্মিতা বৰা আৰু প্ৰিয়ংকা গোস্বামী সমল ব্যক্তিৰূপে উপস্থিত থাকিব। অনুষ্ঠানটিৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই। এই অনুষ্ঠান চলি থকা সময়ত আগ্ৰহী শ্ৰোতাই ০৩৬১-২৬৬২৮৭৬ অথবা ২৬৬২৩২৫ নম্বৰ দুটাত  ফোন কৰি বিদেশ ভ্ৰমণ সম্পৰ্কত সমল ব্যক্তি দুগৰাকীৰ সৈতে কথা পাতিব পাৰিব।

০০০০০

সমাপ্ত